**NSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 22-11-2025

**Time:** 1205 Hrs

***Assamese Midday Bulletin***

HEADLINES

000000

গুৱাহাটীত অচিৰেই অসম তথা উত্তৰ-পূৰ্বাঞ্চলবাসীৰ বাবে ভিছা সুবিধা কেন্দ্ৰ স্থাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। বিশ্বৰ কেইবাখনো দেশৰ বাবে ভিছাৰ প্ৰক্ৰিয়া পৰিচালনা কৰা ভি এফ এছ্ গ্ল'বেল নামৰ কোম্পানীটোৱে গুৱাহাটীত ৬০ খনৰো অধিক দেশৰ বাবে ভিছা সুবিধা কেন্দ্ৰ স্থাপনৰ বাবে সন্মতি প্ৰকাশ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে আন্তঃৰাষ্ট্ৰীয় যাত্ৰাৰ সুবিধা বৃদ্ধিৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব। এই কেন্দ্ৰৰ পৰা কোন কোন দেশৰ বাবে ভিছা আবেদন কৰিব পাৰিব, এই সন্দৰ্ভত সবিশেষ তথ্য পৰৱৰ্তী সময়ত অৱগত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে অৱগত কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহিলা উদ্যমিতা আঁচনিৰ অধীনত অভয়াপুৰী বিধানসভা সমষ্টিৰ একাংশ মহিলা আত্ম-সহায়ক গোটৰ সদস্যৰ মাজত চেক বিতৰণ কৰে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু সাংসদ ফণী ভূষণ চৌধুৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত দিছপুৰৰ লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত এই আলোচনা অনুষ্ঠিত হ'ব।

ইপিনে, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কালি এই সন্দৰ্ভত জনতাভৱনৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ উচ্চ পদস্থ বিষয়াসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু বিভাগীয় অন্যান্য গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰা হয়।

০০০০০০০০

বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্য্যায় সন্দৰ্ভত বাক্সাৰ জিলা পৰ্য্যায়ৰ নিৰীক্ষণ সমিতিৰ সদস্যসকলৰ সৈতে হোৱা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত জিলাখনৰ প্ৰকৃত হিতাধিকাৰীসকলে নিৰ্দিষ্ট সময়ত আঁচনিখনৰ সুফল লাভ কৰাটো নিশ্চিত কৰাত বিশেষ গুৰুত্ব আৰোপ

কৰা হয়। বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিধায়ক ফণীধৰ তালুকদাৰ আৰু বি টি চিৰ পাৰিষদ ৰেখা ৰাণী দাস বড়োৱে অনলাইনযোগে অংশগ্ৰহণ কৰে।

00000000

সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা পৰীক্ষাৰ্থীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰাত অন্তৰায়ৰ সৃষ্টি হৈছে নেকি? বৰ্তমান সময়ত ৰাজ্যৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ কেনে? এনে কেইবাটাও প্ৰশ্নৰ উত্তৰ বিচাৰি বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিব এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য আনিছ্-উজ জামান, অধিবক্তা তথা সমাজকৰ্মী কৈলাস চন্দ্ৰ শৰ্মা আৰু জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ ১০ কিলোৱাট শক্তিসম্পন্ন এফ এম ট্ৰান্সমিটাৰটোৰ জৰুৰী মেৰামতিৰ বাবে সাময়িকভাৱে ইয়াৰ প্ৰচাৰণ বন্ধ ৰখা হৈছে। বিকল্প ব্যৱস্থা হিচাপে বৰ্তমান এশ ৱাট শক্তিসম্পন্ন আন এটা ট্ৰান্সমিটাৰৰ পৰা এফ এম ম'ডত অনুষ্ঠান সূচী প্ৰচাৰ কৰি থকা হৈছে। গুৱাহাটীৰ নৰকাসুৰ পাহাৰত থকা আকাশবাণী আৰু গুৱাহাটীৰ আটাইকেইটা ব্যক্তিগত এফ এম ট্ৰান্সমিটাৰৰ এণ্টেনা উন্নীতকৰণৰ বাবে অহা ২৪ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈ মাজনিশা ১২ বজাৰ পৰা পুৱা ৬ বজালৈ প্ৰচাৰণ বন্ধ কৰা হ'ব। ২৮ নৱেম্বৰৰ পৰা গুৱাহাটী আৰু ইয়াৰ ওচৰ-পাজৰৰ শ্ৰোতাসকলে সকলো এফ এম কেন্দ্ৰৰ অনুষ্ঠানসমূহ এতিয়াতকৈ অধিক শক্তিশালী ৰূপত শুনিব পাৰিব বুলি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধানে জনাইছে।

0000000

শিখ ধৰ্মাৱলম্বী লোকসকলৰ নৱম গুৰু শ্ৰী টেগবাহাদুৰ ছাহিবৰ ৩৫০ সংখ্যক ছহিদ দিৱস উপলক্ষে ভাৰতীয় ৰেল বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই উদ্দেশ্যে ৰে'ল বিভাগে যাত্ৰীৰ সুবিধা হোৱাকৈ ডিব্ৰুগড়-ধুবুৰী, ৰায়পুৰ-ধুবুৰী আৰু কলকাতা-ধুবুৰীৰ মাজত তিনিখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা বুলি ৰে'ল বিভাগৰ তথ্যই সদৰি কৰিছে।00000

0000000

টেষ্ট ক্ৰিকেটৰ মানচিত্ৰত প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ অভিষেক ঘটিছে। অসম ক্ৰিকেটৰ ৭৬ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছ'চিয়েছনৰ ষ্টেডিয়ামত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট মেচ আৰম্ভ হৈছে। খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত ৯৪ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে।

আজিৰ ক্ৰিকেট টেষ্ট মেচ খনৰ বাবে গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি বৰ্ষাপাৰাৰ সমীপৰ পথত বাণিজ্যিক বাহনৰ চলাচলত বাধা আৰোপ কৰা হৈছে। বি কে কাকতি পথ, এ কে আজাদ পথ, কুল বসুমতাৰী পথ, ভূপেন হাজৰিকা পথ, মৰা ভৰলু পথ, বিৰুবাৰী পথ, পণ্ডিত দীনদয়াল উপাধ্যায় পথ আৰু আৰ কে চি পথত আজি বাণিজ্যিক বাহনৰ চলাচল বন্ধ

থাকিব। একেদৰে লালগণেশ পথ আৰু কুল বসুমতাৰী পথো ৱান ৱে কৰা হৈছে। অৱশ্যে জৰুৰীকালীন সেৱা, স্থানীয় লোক, বিদ্যালয় বাহনৰ চলাচলত বাধা নাথাকিব।

0000000

সমাপ্ত